# কলিয়াবৰ মহাবিদ্যালয়

## ছাত্ৰ একতা সভাৰ সংবিধান

অনুচ্ছেদ - ১

ক) নাম : কলিয়াবৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

খ) ঠিকনা : কলিয়াবৰ মহাবিদ্যালয়, ডাকঘৰ : কুঁৱৰীটোল
জিলা: নগাঁও (অসম), পিন – ৭৮২১৩৭

গ) ভাষা : কলিয়াবৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ লিখিত আৰু কথিত ভাষা অসমীয়া বা ইংৰাজী হ'ব ।

অনুচ্ছেদ – ২

উদ্দেশ্য:

ক) ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক, মানসিক, শৈক্ষিক, বৌদ্ধিক, নৈতিক, আধ্যাত্মিক আৰু সাংস্কৃতিক দিশৰ উন্নতি সাধন কৰা ।

খ) ছাত্ৰ-ছাত্ৰীসকলক ৰাষ্ট্ৰৰ সুনাগৰিক হিচাপে গঢ় দিয়াৰ উদ্দেশ্যে তেওঁলোকক সৎ চৰিত্ৰবান ও দেশপ্ৰেমিক, ত্যাগী আৰু কষ্ট সহিষ্ণু হবলৈ উৎসাহ দিয়া ।

গ) আমাৰ সমাজত পূৰ্বৰে পৰা প্ৰচলিত কু সংস্কাৰ আৰু অন্ধবিশ্বাসসমুহ দুৰ কৰি সুস্থ আৰু পৰিচ্ছন্ন সমাজ ব্যৱস্থা গঢ়ি তোলাৰ উদ্দেশ্যে ভবিষ্যতৰ নাগৰিক ছাত্ৰ-ছাত্ৰীসকলক আগ্ৰহী কৰা ।

ঘ) ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বন্ধুত্ব, ভাতৃত্ববোধ আৰু পাৰস্পৰিক বুজাপৰা বৃদ্ধি কৰাৰ লগতে তেওলোকক সামাজিক নেতৃত্ব, সহযোগিতা, শৃংখলাদ্ধতা আৰু নিয়মানুবৰ্তিতাৰ শিক্ষা দিয়া ।

ঙ) সাহিত্য, সংগীত, কলা-সংস্কৃতি চৰ্চাৰ জৰিয়তে তেওঁলোকক জাতীয় সংহতি সুদৃঢ় কৰিবলৈ অনুপ্ৰেৰনা দিয়া ।

চ) শ্ৰমৰ মৰ্যদা আৰু গুৰুত্বৰ বিষয়ে শিক্ষা দিয়াৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক সমাজ সেৱাৰ প্ৰতি অনুপ্ৰানিত কৰা ।

ছ) সভা-সমিতি অনুষ্ঠিত কৰি নেতৃত্বৰ জ্ঞান আহৰণ কৰাৰ লগতে শৈক্ষিক আৰু সাংস্কৃতিক দিশৰ বিভিন্ন বিষয়ৰ ওপৰত প্ৰতিযোগিতা, আলোচনা চক্ৰ আৰু প্ৰদৰ্শনী আদিৰ ব্যৱস্থা কৰা ।

জ) ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক উৎকৰ্ষ সাধনৰ কাৰনে বিভিন্ন ক্ৰীড়াৰ অনুশীলন আৰু প্ৰতিযোগিতা আয়োজন কৰা ।

ঝ) বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা আন্ত: মহাবিদ্যালয় মহোৎসৱত যোগদান কৰাৰ লগতে এই মহাবিদ্যালয়তো তেনে মহোৎসৱ অনুষ্ঠিত কৰিবলৈ প্ৰচেষ্টা চলোৱা ।

ঞ) প্ৰয়োজন সাপেক্ষে কোনো বিশেষ স্থান বা ছাত্ৰ-ছাত্ৰীৰ কল্যানমুলক অনুষ্ঠানলৈ মহাবিদ্যালয়ৰ পৰা প্ৰতিনিধি আৰু সঁজাতী দল পঠোৱাৰ ব্যৱস্থা কৰা ।

ট) মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক দলীয় ৰাজনীতিৰ পৰা মুক্ত ৰাখি শিক্ষানুষ্ঠানটিৰ সুস্থ পৰিবেশ আৰু পবিত্ৰতা অখুন্ন ৰখা ।

ঠ) ৰেগিং মুক্ত এক সুস্থ শৈক্ষিক বাতাবৰন সৃস্টি কৰা ।

ড) মহাবিদ্যালয়ত এক প্ৰাকৃতিক পৰিবেশ ৰচনা কৰা আৰু মহাবিদ্যালয় চৌহদ পৰিস্কাৰ-পৰিছন্ন কৰি ৰখাত কৰ্তৃপক্ষক সহায় কৰা ।

অনুচ্ছেদ- ৩

**গঠন**

মুখ্য উপদেষ্টা ঃ মহাবিদ্যালয় অধ্যক্ষ ছাত্ৰ একতা সভাৰ মুখ্য উপদেষ্টা হ'ব।
উপদেষ্টা ঃ সকলো নিয়মীয়া শিক্ষক-শিক্ষয়িত্ৰী ছাত্ৰ একতা সভাৰ উপদেষ্টা হ'ব।
সদস্য ঃ মহাবিদ্যালয়ৰ সকলো নিয়মীয়া ছাত্ৰ-ছাত্ৰী ছাত্ৰ একতা সভাৰ সাধাৰণ সদস্য হ'ব।

কোনো ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ একতা সভাৰ সংবিধান উলংঘন কৰিলে বা মহাবিদ্যালয়ৰ নীতি-নিয়ম ভঙ্গ কৰিলে অধ্যক্ষই তেনে ছাত্ৰ-ছাত্ৰীৰ সদস্য পদ বাতিল কৰিব পাৰিব। মহাবিদ্যালয়ৰ পৰা বহিষ্কাৰ হ'লেও সদস্যৰ পদ বাতিল হ'ব।

নিৰ্বাচিত বিষয়ববীয়া ঃ

১। সভাপতি
২। উপ সভাপতি
৩। সাধাৰণ সম্পাদক
৪। সহকাৰী সাধাৰণ সম্পাদক

৫। বহিঃ ক্ৰীড়া সম্পাদক
৬। আন্তঃ ক্ৰীড়া সম্পাদক
৭। সাংস্কৃতিক সম্পাদক
৮। উৎসৱ সম্পাদক
৯। সঙ্গীত সম্পাদক
১০। তৰ্ক সম্পাদক
১১। সমাজ সেৱা সম্পাদক
১২। আলোচনী সম্পাদক
১৩। সাহিত্য ও কলা সম্পাদক
১৪। ছাত্ৰ জিৰণী কোঠা সম্পাদক
১৫। ছাত্ৰী জিৰণী কোঠা সম্পাদিকা
১৬। শ্ৰেণী প্ৰতিনিধি- প্ৰতি শ্ৰেণীৰ এজন।

KALIABOR COLLEGE A GRADE KUWARITOL : NAGAON ASSAM

অনুচ্ছেদ- ৪

## দায়িত্ব

সভাপতি ঃ

সভাপতিয়ে কাৰ্যকৰী সভা পৰিচালনা কৰিব আৰু সাধাৰণ সম্পাদক তথা অন্য সম্পাদক সকলক পৰামৰ্শ দিব।

উপ-সভাপতি ঃ

সভাপতিৰ অনুপস্থিতিত উপ-সভাপতিয়ে সভাপতিৰ সকলো দায়িত্ব পালন কৰিব।

সাধাৰণ সম্পাদক

- সাধাৰণ সম্পাদকে বিভাগীয় সম্পাদকসকলক যাৱতীয় দিহা-পৰামৰ্শ দিব। বিভিন্ন বিভাগৰ মাজত সমন্বয় ৰক্ষা কৰাৰ লগতে তেওঁলোকৰ কাম-কাজৰো তদাৰক কৰিব।
- বিভাগীয় কোনো সম্পাদকৰ অনুপস্থিতিত সাময়িকভাৱে সেই বিভাগৰ দায়িত্ব পালন কৰিব।
- সাধাৰণ সভা, কাৰ্য-পৰিচালনা সভা আৰু অন্যান্য প্ৰয়োজনীয় সভা আহ্বান কৰিব।
- আঞ্চলিক, জিলা বা ৰাজ্যিক পৰ্য্যায়ৰ ছাত্ৰ সমাজৰ অনুষ্ঠানসমূহত মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰিব।
- কাৰ্য -বিৱৰণীকে ধৰি অন্যান্য নথি-পত্ৰ আৰু জমা খৰছৰ হিচাপ সযতনে ৰাখিব।

সহকাৰী সাধাৰণ সম্পাদক ঃ

সাধাৰণ সম্পাদকক সকলো ক্ষেত্ৰতে সহায় কৰিব আৰু সাধাৰণ সম্পাদকৰ অনুপস্থিতিত তেওঁৰ দায়িত্ব বহন কৰিব।

বিভাগীয় সম্পাদক ঃ

ক) বিভাগীয় সম্পাদকসকলে নিজ নিজ বিভাগৰ দায়িত্ব পালন কৰিব আৰু যাৱতীয় নথি-পত্ৰসমূহ সযতনে ৰাখিব।
খ) বিভাগীয় সম্পাদকসকলে নিজ নিজ বিভাগৰ বাবে বছেৰেকীয়া বাজেট প্ৰস্তুত কৰোতে বিভাগীয় উপদেষ্টাৰ লগত আলোচনা কৰি উপদেষ্টাৰ সন্মতি সূচক স্বাক্ষৰেৰে সেই বাজেট কাৰ্য্যকৰী সভাত উত্থাপন কৰিব।
গ) নিজ নিজ বিভাগত হোৱা খৰছ আৰু খৰছৰ হিচাপৰ বাবে বিভাগীয় সম্পাদকসকল সম্পূৰ্ণ দায়বদ্ধ থাকিব।
ঘ) বিভাগীয় সম্পাদকে কৰা সকলো খৰছৰ কাৰণে নিজ নিজ উপদেষ্টাৰ আৰু কৰ্তৃপক্ষৰ ওচৰত জবাবদিহি আৰু দায়ী থাকিব লাগিব অন্যথা কৰ্তৃপক্ষই তেওঁৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব।

শ্ৰেণী প্ৰতিনিধি ঃ

শ্ৰেণী প্ৰতিনিধিসকলক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে বাচনি কৰিব। তেওঁলোকে নিজ নিজ শ্ৰেণীক প্ৰতিনিধিত্ব কৰিব।

অনুচ্ছেদ-৫

সাধাৰণ সভা ঃ

মহাবিদ্যালয় অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰে গঠিত হ'ব। মহাবিদ্যালয়ৰ অধ্যক্ষই এই সভা আহ্বান কৰিব পাৰিব আৰু এনে সভাত সভাপতিত্ব কৰিব ।

কাৰ্যকৰী সভা ঃ

নিৰ্বাচিত সভাপতি, উপসভাপতি, সাধাৰণ সম্পাদক, বিভাগীয় সম্পাদক সকল আৰু শ্ৰেণী প্ৰতিনিধিৰে কাৰ্যকৰী সমিতি গঠিত হ'ব। সাধাৰণ সম্পাদকে অধ্যক্ষৰ লিখিত অনুমতি সাপেক্ষে কাৰ্যকৰী সভা আহ্বান কৰিব পাৰিব। সভাপতি বা তেওঁৰ অনুপস্থিতিত উপ সভাপতিয়ে কাৰ্যকৰী সভা পৰিচালনা কৰিব।

কাৰ্যকৰী সভা এদিনৰ আগতীয়া জাননীত অনুস্থিত কৰিব পাৰিব। প্ৰয়োজন সাপেক্ষে জৰুৰী কাৰ্যকৰী সভা ৩ ঘন্টাৰ জাননীত আহ্বান কৰিব পাৰিব। যিকোনো সভা আহ্বান কৰিবলৈ অধ্যক্ষৰ লিখিত অনুমোদন অপৰিহাৰ্য। অনুমোদন অবিহনে সভা আহ্বান কৰিলে তেনে সভা বৈধ নহ'ব আৰু তেনে কৰা সম্পাদক বা সদস্যৰ বিৰুদ্ধে শাস্তিমুলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

একতা সভাৰ কাৰ্যকালত নূন্যতম তিনিখন কাৰ্যকৰী সভা হোৱাটো বাঞ্চণীয়।

- সংবিধানত নির্দ্ধাৰিত ছাত্র একতা সভাৰ সকলো কাৰ্য্য সম্পাদনা কৰাৰ ক্ষমতা আৰু দায়িত্ব কাৰ্য্য পৰিচালনা সভাৰ হাতত থাকিব।
- সভাপতিৰ লগত আলোচনাত্র মে সাধাৰণ সম্পাদকে কাৰ্যকৰী সভা অনুস্থিত কৰাৰ দিন আৰু কাৰ্যসূচী ঠিক কৰি সভা অনুষ্ঠিত হোৱাৰ অন্ততঃ এদিনৰ আগত জাননী জাৰি কৰিব।
- প্রয়োজন সাপেক্ষে সাধাৰণ সম্পাদকে অধ্যক্ষৰ সন্মতিত্র মে তিনি ঘন্টাৰ জাননীতো কাৰ্য পৰিচালনা সভা আহ্বান কৰিব পাৰিব।
- কাৰ্যকৰী সভাৰ কোনো সদস্যৰ পদখালী হ'লে সভাই সধাৰণ সভাৰ সদস্যৰ দ্বাৰা সেইপদ পূৰণ কৰিব। এই ক্ষেত্ৰত অধ্যক্ষৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।
- বিভাগীয় সম্পাদক সকলৰ মাজত সমন্বয়ৰ অভাৱ ঘটিলে অথবা কোনো বিবাদৰ সৃষ্টি হ'লে কাৰ্যকৰী সভাই তাৰ মীমাংসা কৰিব।
- সভাপতি আৰু উপ সভাপতিকে ধৰি দুই-তৃতীয়াশ সদস্যৰে কাৰ্য পৰিচালনা সভাৰ থূল হ'ব।
- স্থগিত সভাৰ ক্ষেত্ৰত থূলৰ প্রয়োজন নহ'ব।

অনুচ্ছেদ- ৬

সাধাৰণ নির্বাচন ঃ

ক) প্রতি শিক্ষাবর্ষ আৰম্ভ হোৱাৰ দুমাহৰ ভিতৰত একতা সভাৰ সাধাৰণ নির্বাচন অনুষ্ঠিত হ'ব।

খ) নির্বাচন পৰিচালনাৰ বাবে অধ্যক্ষই অধ্যপকৰ মাজৰ পৰা এজন মুখ্য নির্বাচনী বিষয়া আৰু তিনিজন সহকাৰী নির্বাচনী বিষয়াৰ এখন নির্বাচন পৰিচালনা সমিতি গঠন কৰিব। পূর্ববর্ষৰ মূখ্য নির্বাচনী বিষয়াজন পৰৱৰ্তী বৰ্ষৰ
পদেন সদস্য হৈ থাকিব। নির্বাচন পৰিচালনা সমিতিয়ে নির্বাচন পৰিচালনাৰ সকলো দায়িত্ব পালন কৰিব।

গ) অধ্যক্ষই নির্বাচন অনুস্থিতকৰণৰ জাননী নির্বাচন অনুষ্ঠিত হোৱা দিনৰে পৰা কমেও ১৫ (পোন্ধৰ) দিন আগতে জাৰি কৰিব।

ঘ) সমস্ত নির্বাচনী প্রত্রি য়া ১০ (দহ) কর্মদিনৰ ভিতৰত সম্পন্ন হ'ব লাগিব।

ঙ) একতা সভাৰ বিষয়ববীয়াসকলক সাধাৰণ সদস্য সকলে অহস্তান্তৰ যোগ্য গোপন ভোটৰ দ্বাৰা নির্বাচিত কৰিব।

চ) নির্বাচন পৰিচালনা কৰাৰ ক্ষেত্ৰত হোৱা সমূদায় জমা খৰছৰ হিচাপ মুখ্য নির্বাচনী বিষয়াই নির্বাচন অনুষ্ঠিত হোৱা দিনৰ পৰা এমাহৰ ভিতৰত অধ্যক্ষৰ ওচৰত দাখিল কৰিব লাগিব।

ছ) নির্বাচন পৰিচালনাৰ বাবে হোৱা খৰছ ছাত্র একতা সভাৰ পুঁজিৰ পৰা বহন কৰা হ'ব আৰু ৰাহি হোৱা ধন একতা সভাৰ পুঁজিত জমা হ'ব।

জ) নিৰ্ব্বাচনৰ ফলাফল সংত্র ান্তত কোনো প্রার্থীৰ ওজৰ-আপত্তি থাকিলে নির্বাচনৰ ফলাফল ঘোষণা কৰাৰ ৩ (তিনি) ঘন্টাৰ ভিতৰত তেনে প্রার্থীয়ে ১০০০.০০ (এক হাজাৰ) টকা আমানত ধন জমা দি ব্যক্তিগত ভাৱে মুখ্য নির্বাচনী বিষয়াৰ ওচৰত লিখিত আবেদন জমা দিব পাৰিব।

ঝ) ১০ (দহ) টাতকৈ অধিক ভোটৰ ব্যৱধান থকা ফলাফলৰ বাবে পুনৰ ভোট গননাৰ আবেদন গ্রহণ কৰা নহব।

ঞ) নির্বাচনৰ প্রার্থীৰ বাদে আন কাৰো আবেদন গ্রহণ কৰা নহব।

ট) নির্বাচন সম্পৰ্কীয় সকলো গোচৰ মীমাংসাৰ ক্ষেত্ৰত নির্বাচন পৰিচালনা সমিতিৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

ঠ) নির্বাচৰ বা নির্বাচনৰ ফলাফলৰ ক্ষেত্ৰত কোনো ছাত্র-ছাত্রীয়ে অযথা বেমেজালীৰ সৃষ্টি কৰিলে মুখ্য নির্বাচনী বিষয়াই অনুশাসনমূলক ব্যৱস্থা গ্রহণৰ বাবে অধ্যক্ষলৈ চুপাৰিশ কৰিব পাৰিব আৰু অধ্যক্ষই উচিত বিবেচনা কৰিলে শাস্তি প্রদান কৰিব পাৰিব।

প্রার্থী ঃ

ছাত্র একতা সভাৰ সাধাৰণ নির্বচনত তলৰ বিধি আৰু স্বৰ্ত্তসমুহ মানি চলা ছাত্র-ছাত্রীয়েহে প্রার্থী হ'ব পাৰিব।

ক) প্রার্থীজন মহাবিদ্যালয়ৰ নিয়মীয়া পাঠ্যত্র মৰ নিয়মীয়া ছাত্র / ছাত্রী হ'ব লাগিব।

খ) শ্রেণীত উপস্থিতি 75% বা বেছি হ'ব লাগিব।

গ) কোনো পৰীক্ষাত Back বা Arrear থাকিব নালাগিব।

ঘ) মূখ্য নির্বাচন বিষয়াই নির্বাচনৰ দিন ঘোষণা কৰাৰ তাৰিখত প্রার্থীৰ বয়স ন্যূনতম ১৭ বছৰ, সর্বোচ্চ স্নাতকৰ বাবে ২২ বছৰ আৰু স্নাতকোত্তৰৰ বাবে ২৫ বছৰ হব লাগিব।

ঙ) প্রার্থী পূর্বৰ কোনো অপৰাধজনিত কাৰ্য/ঘটনাত জড়িত (criminal record) থকা হব নালাগিব।

চ) মহাবিদ্যালয়ৰ বা আন শিক্ষানুষ্ঠানৰ পৰা পূৰ্বে বহিস্কৃত হ'ব নালাগিব।

ছ) মহাবিদ্যালয়ৰ ছাত্র কালত. কোনো ছাত্র-ছাত্রীয়ে শ্রেণী প্রতিনিধিৰ বাবে দুবাৰ আৰু সভাপতি, উপ-সভাপতিকে ধৰি অন্যপদৰ বাবে কেৱল এবাৰহে প্রার্থীত্ব আগবঢ়াব পাৰিব।

জ) সভাপতি পদৰ বাবে স্নাতক ৫ ম যান্মাষিক আৰু স্নাতোকোত্তৰ প্রথম আৰু তৃতীয় সান্মাযিক শ্রেণীৰ ছাত্র-ছাত্রীয়ে প্রার্থীত্ব আগবঢ়াব পাৰিব আৰু অন্য পদসমূহৰ বাবে স্নাতক ১ম আৰু ৩য আৰু স্নাতোকোত্তৰ ১ম যান্মাষিকৰ ছাত্র-ছাত্রীয়ে প্রার্থীত্ব আগবঢ়াব পাৰিব।

ঝ) ছাত্র জিৰণি কোঠাৰ সম্পাদক পদৰ বাবে কেবল ছাত্র সদস্য আৰু ছাত্রী জিৰণি কোঠাৰ সম্পাদিকা পদৰ কাৰনে ছাত্রী সদস্যাইহে প্রতিদ্বন্দিতা কৰিব পাৰিব।

KALIABOR COLLEGE
A GRADE
KUWARITOL : NAGAON ASSAM

নিৰ্বাচনৰ নিয়মাৱলী ঃ

ক) প্ৰতিখন মনোনয়ন পত্ৰৰ মূল্য, পাৰ্থীত্ব মাচুল, আমানত ধন নিৰ্বাচন পৰিচালনা সমিতিয়ে অধ্যক্ষৰ অনুমোদনত্ৰ মে নিৰ্দ্ধাৰণ কৰিব।

খ) এজন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিলৰ বাবে নিৰ্দ্ধাৰিত মাচুল মূখ্য নিৰ্বাচনী বিষয়াক জমা দি একেলগে সৰ্বাধিক ৩ (তিনি) খনকৈ মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব।

গ) নিৰ্বাচনী বিষয়াৰ হাতত মনোনয়ন পত্ৰ জমা দিয়াৰ সময়ত প্ৰাৰ্থী, প্ৰাৰ্থীৰ প্ৰস্তাৱক আৰু সমৰ্থকে পৰিচয় পত্ৰ আৰু নিৰ্দ্ধাৰিত সময়লৈ মাচুল জমা দিয়াৰ ৰচিদ দেখুৱাই পূৰ কৰা মনোনয়ন পত্ৰত স্বাক্ষৰ কৰিব লাগিব।

ঘ) মনোনয়ন পৰীক্ষাৰ সময়তো প্ৰাৰ্থী, প্ৰাৰ্থীৰ প্ৰস্তাৱক আৰু সমৰ্থকে পৰিচয় পত্ৰ আৰু মাচুল জমা দিয়াৰ ৰচিদ দেখুৱাব লাগিব।

ঙ) অতিশয় গুৰুত্বপূৰ্ণ কাৰণত কোনো প্ৰাৰ্থী, প্ৰাৰ্থীৰ প্ৰস্তাৱক আৰু সমৰ্থক মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ সময়ত উপস্থিত থাকিব নোৱাৰিলে নিৰ্বাচনী বিষয়াক লিখিতভাৱে আগতীয়াকৈ জনাব। অনুপস্থিতিৰ কাৰণৰ গুৰুত্ব বিচাৰ কৰি নিৰ্বাচন পৰিচালনা সমিতিয়ে তেনে প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ গ্ৰহণ বা নাকচৰ সিদ্ধান্ত ল'ব।

চ) মনোনয়ন পত্ৰ নাকচ হোৱা প্ৰাৰ্থীসকলে আমানত মাচুল ঘূৰাই নাপাব।

ছ) প্ৰতিটোপদৰ বিজয়ী প্ৰাৰ্থীয়ে লাভ কৰা ভোটৰএক তৃতীয়াংশতকৈ কম ভোট পোৱা একে পদৰ প্ৰাৰ্থী সকলৰ আমানৰ ধন বাজেয়াপ্ত হ'ব।

জ) মহাবিদ্যালয় চৌহদত নিৰ্বাচনী প্ৰচাৰৰ বাবে কোনো 'বেনাৰ' বা 'পোষ্টাৰ' আঁৰিব নোৱাৰিব।

ঝ) মহাবিদ্যালয়ৰ প্ৰৱেশপথৰ মূল তোৰণৰ পৰা মহাবিদ্যালয় চৌহদৰ ভিতৰৰ পকা ৰাস্তাত কোনো প্ৰাৰ্থীয়ে ৰঙেৰে লিখি প্ৰচাৰ কাৰ্য্য চলাব নোৱাৰিব।

ঞ) নিৰ্বাচনী বিষয়াৰ অনুমোদন অবিহনে কোনো প্ৰাৰ্থীয়ে নিৰ্বাচনী প্ৰচাৰৰ বাবে কোনো ধৰণৰ প্ৰচাৰ পত্ৰ বিতৰণ কৰিব নোৱাৰিব।

ট) প্ৰতিজন প্ৰাৰ্থীয়ে হাতে লিখা প্ৰচাৰ পত্ৰৰ একোটা কপি বিতৰণৰ পূৰ্বে নিৰ্বাচন বিষয়াৰ হাতত দিব লাগিব আৰু অনুমোদন ল'ব লাগিব। প্ৰাৰ্থীয়ে কোনো ধৰনৰ ছপা প্ৰচাৰ পত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব।

ঠ) পাঠদান চলি থকা অৱস্থাত শ্ৰেণীত নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব। তাৰ পৰিৱৰ্তে নিৰ্বাচন পৰিচালনা সমিতিয়ে সেই উদ্দেশ্যে আয়োজন কৰা এখন সাধাৰণ সভাত প্ৰাৰ্থীসকলে-- "মই কিয় একতা সভাৰ সাধাৰণ নিৰ্বাচনত অংশ গ্ৰহণ কৰিছোঁ"-- বিষয়টিৰ ওপৰত তিনি মিনিট কৈ বক্তৃতা দিয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীয়ে সোধা নিৰ্বাচন সম্পৰ্কীয় প্ৰ.ৰ উত্তৰ দিব।

ড)নিৰ্বাচনী সমিতিয়ে মঞ্চ প্ৰচাৰ নীতি-নিয়ম নিৰ্দ্ধাৰণ কৰিব।

ঢ) কোনো প্ৰাৰ্থীয়ে ৫০০০.০০ (পাঁচ হাজাৰ) টকাৰ বেছি নিৰ্বাচনী ব্যয় কৰিব নোৱাৰিব।

ণ) নিৰ্বাচন সংক্ৰান্তীয় যিকোনো ওজৰ আপত্তি নিস্পত্তি কৰিবলৈ এটি অভিযোগ নিস্পত্তি কোষ থাকিব । অধ্যক্ষৰ নেতৃত্বত গঠিত তেনে কোষত অধ্যক্ষৰ দ্বাৰা মনোনীত দুজন জেষ্ঠ অধ্যাপক আৰু একোজনকৈ নিৰপেক্ষ ছাত্ৰ আৰু ছাত্ৰী থাকিব ।

ট) যিকোনো অভিযোগ প্ৰতি অভিযোগ নিষ্পত্তিৰ ক্ষেত্ৰত অধ্যক্ষৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

অনুচ্ছেদ- ৭

পুঁজি

ক) সংবিধানৰ ৩ (ক) অনুচ্ছেদত উল্লেখ কৰা ছাত্ৰ একতা সভাৰ সদস্যসকলৰ পৰা সংগৃহীত বৰঙণীৰে একতা সভাৰ মূল পুঁজি গঠন হ'ব।

খ) সাধাৰণ সম্পাদক আৰু বিভাগীয় সম্পাদক সকলে খৰছ কৰিবৰ কাৰণে অধ্যক্ষৰ তত্বাৱধানত পৃথক পৃথকভাৱে প্ৰতি বিভাগৰ একোটাকৈ পুঁজি থাকিব।

গ) কোনো ব্যক্তি বা অনুষ্ঠানে আগবঢ়োৱা দান, বৰঙণি, অনুদান অধ্যক্ষৰ অনুমোদন সাপেক্ষে গ্ৰহণ কৰিব।

অনুচ্ছেদ- ৮

সংবিধানৰ সংশোধন ঃ

সংবিধানৰ কোনো অনুচ্ছেদ, অংশবিশেষ অথবা সম্পূৰ্ণ সংশোধনীৰ প্ৰয়োজন হ'লে কাৰ্য্য পৰিচালনা সভাৰ জ্জন নিৰ্বাচিত বিষয়ববীয়া অথবা ৭৫ জন সাধাৰণ সদস্যই উক্ত বিষয়ে ছাত্ৰ একতা সভাৰ সভাপতিযসম্পাদকলৈ লিখিত আবেদন জনাব। বিষয়টি কাৰ্য্য পৰিচালনা সভাত আলোচনা কৰি সভাৰ সিদ্ধান্তত্ৰ মে সভাই মনোনীত কৰা দুগৰাকী উপদেষ্টা সদস্যক সংবিধানৰ কোনো অনুচ্ছেদ, অংশ বিশেষ অথবা সম্পূৰ্ণ সংশোধনৰ দায়িত্ব অৰ্পণ কৰিব।

বা

ন্যায়ালয় বা চৰকাৰৰ সিদ্ধান্তমৰ্মে বা অপৰিহাৰ্য পৰিস্থিতিত অধ্যক্ষই সংবিধানৰ কোনো দফা বা সংবিধান সংশোধন কৰিব পাৰিব। পৰৱৰ্তী সাধাৰণ সভাত তাৰ অনুমোদন ল'ব।

অনুচ্ছেদ- ৯

সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি বা বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হোৱা সদস্যসকলে কৰ্য্যভাৰ গ্ৰহণ কৰাৰ পূৰ্ব্বে কাৰ্যভাৰ গ্ৰহণৰ শপত অধ্যক্ষই পাঠ কৰোৱাব।

অনুচ্ছেদ- ১০

ন্যায়ালয়ৰ ব্যয়ৰ বাবে, চৰকাৰ আদেশ অনুসৰি ছাত্ৰ একতা সভাই সংবিধান বিৰোধী কাম কৰিলে অধ্যক্ষই ছাত্ৰ একতা সভা ভঙ্গ কৰিব পাৰিব। তেনে ক্ষেত্ৰত পৰৱৰ্ত্তী নিৰ্বাচন নোহোৱা পৰ্য্যন্ত ছাত্ৰ একতা সভাৰ সকলো কাম-কাজ অধ্যক্ষৰ দ্বাৰা মনোনীত প্ৰতিনিধিৰে সম্পন্ন হ'ব।

সাধাৰণ সভাত গৃহীত
শ্ৰীশশীধৰ দত্ত (অধ্যক্ষ)
সভাপতি
কলিয়াবৰ মহাবিদ্যলয় ছাত্ৰ একতা সভা
তাৰিখ ১৭/৯/৭৫

সাধাৰণ সভাত অনুমোদিত
শ্ৰীধীৰেন্দ্ৰ কুমাৰ হাজৰিকা (অধ্যক্ষ)
সভাপতি
কলিয়াবৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা
তাৰিখ ঃ ১৮/১১/৯৯

সংবিধান প্ৰস্তুত কাৰক
শ্ৰীললিত চন্দ্ৰ হাজৰিকা, অধ্যাপক,
কলিয়াবৰ মহা বিদ্যালয়
শ্ৰীললিত চন্দ্ৰ গোঁহাই, সাধাৰণ সম্পাদক,
কলিয়াবৰ মহাবিদ্যলয় ছাত্ৰ একতা সভা

সংশোধক আৰু পৰিবৰ্দ্ধক
শ্ৰীবিমল চন্দ্ৰ বৰা, অধ্যাপক
শ্ৰীপ্ৰফুল্লচন্দ্ৰ ৰাজখোৱা, অধ্যাপক,
ৰাজনীতি বিভাগ
কলিয়াবৰ মহাবিদ্যালয়

সংশোধক

১) শ্ৰী ৰিদীপ দাস, সহযোগী অধ্যাপক, পৰিচালনা বিভাগ
২) শ্ৰী দেবীচৰণ গোস্বামী, সহযোগী অধ্যাপক, অৰ্থনীতি বিভাগ
৩) শ্ৰী পৰাগ দাহাল, সহকাৰী অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ

২১/০৯/১৮ তাৰিখৰ সাধাৰণ সভাত গৃহীত।

**স্বাক্ষৰ :**
**ড. হিৰণ্য কুমাৰ চলিহা,**
**অধ্যক্ষ,**
**কলিয়াবৰ মহাবিদ্যালয়**

21/9/18
Principal
Kaliabor College
P.O.- Kuwaritol - 782137
Nagaon; Assam